**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

অসম বিধানসভাত কালি ১৯৮৩ চনৰ নিৰ্বাচনী হিংসাৰ তদন্তৰ বাবে গঠন কৰা ত্ৰিভুবন প্ৰসাদ তিৱাৰী আয়োগ আৰু বেচৰকাৰীভাবে গঠন হোৱা মেহতা আয়োগৰ প্ৰতিবেদন দাখিল কৰা হয়। তিৱাৰী আয়োগৰ প্ৰতিবেদন অনুসৰি বৰ্তমানৰ মৰিগাওঁ জিলা তথা তেতিয়াৰ অবিভক্ত নগাওঁ জিলাৰ নেলীৰ বিভিন্ন অঞ্চলত দুহেজাৰৰো অধিক লোকৰ প্ৰাণহানি হোৱাৰ ঘটনা সাম্প্ৰদায়িক আখ্যা দিব নোৱাৰি বুলি প্ৰকাশ কৰা হৈছে। ১৯৮৩ চনৰ নিৰ্বাচনটো স্পৰ্শকাতৰ হিচাপে আয়োগে অভিহিত কৰিছে যদিও হিংসাত্মক ঘটনাসমূহৰ বাবে নিৰ্বাচনটোক জগৰীয়া কৰিব নোৱাৰি বুলি প্ৰতিবেদনত স্পষ্টভাবে উল্লেখ কৰা হৈছে। সুদীৰ্ঘ সময়জুৰি ৰাজ্যখনত হোৱা অবৈধ প্ৰব্ৰজন, জনগাঁথনিৰ পৰিবৰ্তন, বিদেশী বহিস্কাৰৰ দাবী অব্যাহত থকা দশকজোৰা আন্দোলন আদিকে ধৰি কেইবাটা কাৰণে এনেধৰণৰ হিংসাত্মক ঘটনা প্ৰভাৱ পেলাইছে বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে। শীৰ্ষ প্ৰশাসনিক বিষয়া, স্থানীয় নেতা, সমাজকৰ্মী, আৰক্ষী, সাংবাদিককে ধৰি আঠৈশৰো অধিক লোকৰ সাক্ষ্য গ্ৰহণৰ লগতে ঘটনা সংঘটিত বিভিন্ন স্থান ভ্ৰমণ কৰি আয়োগে প্ৰস্তুত কৰা প্ৰতিবেদনত এই ঘটনাসমূহক সাম্প্ৰদায়িক বুলি কোৱাটো উচিত নহয় বুলি উল্লেখ কৰা হৈছে। আয়োগে প্ৰতিবেদনত ডিব্ৰুগড়, অবিভক্ত গোৱালপাৰা, কামৰূপ, দৰং, লখিমপুৰ, নগাওঁ আৰু  কাৰ্বিআংলং জিলাত সংঘটিত হিংসাত্মক ঘটনাসমূহৰ তথ্য আৰু ইয়াত প্ৰাণহানিৰ সংখ্যাও প্ৰতিবেদনত সন্নিবিষ্ট কৰিছে। এই অনুসৰি ১৯৮৩ চনৰ জানুৱাৰীৰ পৰা এপ্ৰিল পৰ্যন্ত সংঘটিত ৮হাজাৰ ১৯টা হিংসাত্মক ঘটনাত দলীয় সংঘৰ্ষত ২হেজাৰ ৭২জন আৰু আৰক্ষীৰ গুলীত ২৩৫জন লোক নিহত হৈছিল। উল্লেখযোগ্য যে, কালি বিধানসভাত দাখিল কৰা এই প্ৰতিবেদনখন ১৯৮৭চনৰ ৩১ মাৰ্চত তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই বিধানসভাত দাখিল কৰিছিল যদিও ৰাজহুৱা কৰা হোৱা নাছিল।

ইপিনে, কালি বিধানসভাত মুখ্যমন্ত্ৰীয়ে দাখিল কৰা মেহতা আয়োগৰ প্ৰতিবেদন অনুসৰি ১৯৮৩চনৰ ১৮ ফেব্ৰুৱাৰীত তেতিয়া নগাওঁ জিলাৰ নেলীত সংঘটিত গণহত্যা একাংশ পমুৱা মুছলমানে পূৰ্বে কৰা আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে সংঘটিত হৈছিল বুলি কোৱা হৈছে। উল্লেখযোগ্য যে, ১৯৮৩চনৰ নিৰ্বাচনৰ আগে পিছে ৰাজ্যখনত সংঘটিত হিংসাত্মক ঘটনাৱলীৰ সন্দৰ্ভত অসম ৰাজ্যিক মুক্তি যুঁজাৰু সংগঠনে হিমাচল প্ৰদেশ উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ টি ইউ মেহতাৰ অধ্যক্ষতাত এই আয়োগ গঠন কৰিছিল।

০০০০০০

দেশৰ নিৰ্বাচনী আয়োগৰ নিৰ্দেশ অনুযায়ী অসমত আৰম্ভ হোৱা ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ অংশ হিচাপে শিৱসাগৰ জিলাতো এই প্ৰক্ৰিয়া অব্যাহত আছে। জিলাখনত ২২ নৱেম্বৰত আৰম্ভ কৰা সংশোধনীৰ প্ৰক্ৰিয়া সফল কৰি তুলিবলৈ নিয়োগ কৰা ৭১৫ গৰাকী বি এল অ'য়ে শিৱসাগৰ, ডিমৌ আৰু নাজিৰা বিধানসভাৰ প্ৰায় ৬ লাখ ভোটাৰৰ ঘৰে ঘৰে গৈ তথ্যৰ সত্যাসত্য নিৰূপণৰ কামত তৎপৰ হৈছে। এই সন্দৰ্ভত শিৱসাগৰৰ নিৰ্বাচনী বিষয়া আদিতি নেওগে এইদৰে কয়–

**বাইট (আদিতি নেওগ)**

০০০০০০

সমগ্র শিক্ষাৰ তিনিচুকীয়া জিলাৰ তিনিচুকীয়া নগৰ শিক্ষাখণ্ডৰ উদ্যোগত কালি বুনিয়াদী স্বাক্ষৰতা আৰু সাংখ্যিকতাৰ এখন খণ্ডভিত্তিক প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা অনুষ্ঠিত হয়। ডুমডুমা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই কাৰ্যসূচীত ২৪ খন বিদ্যালয়ৰ শিক্ষকসকলে অংশ লয়। বুনিয়াদী স্তৰৰ শিশুসকলৰ শিক্ষণ আৰু শিকন প্ৰণালীৰ কৌশল সলাই আনন্দদায়ক পৰিৱেশৰ মাজেৰে শিক্ষাৰ জ্ঞান বিলোৱাটো সুনিশ্চিত কৰিবলৈ শিক্ষকসকলৰ মাজত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০০০

তিনিচুকীয়া জিলাত বৃদ্ধি পোৱা পথ দুৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত পৰ্যালোচনাৰ বাবে জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত কালি তিনিচুকীয়া জিলা পথ সুৰক্ষা সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত সভাখনত দুৰ্ঘটনা সন্দৰ্ভত ল'বলগীয়া ভৱিষ্যতৰ সাৱধানতাক লৈও আলোচনা কৰা হয়। এই সভাত প্ৰশাসনৰ লগতে লোকনিৰ্মাণ তথা পৰিবহণ বিভাগৰ কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

০০০০০০

অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোত কালি জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু আৰু ইয়াৰ তদন্ত প্ৰক্ৰিয়াক লৈ বিৰোধীয়ে অনা সভা স্থগিত প্ৰস্তাৱত শাসক পক্ষই সমৰ্থন জনায়। এই বিষয়টো লৈ সদনত দীঘলীয়া সময়জুৰি আলোচনা চলে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যু পৰিকল্পিত হত্যাকাণ্ড আছিল বুলি সদনৰ মজিয়াত প্ৰকাশ কৰে। সদনৰ দিনটোৰ কাম-কাজৰ আৰম্ভণিতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বিগত সময়ছোৱাত ৰাজ্যখনত মৃত্যু হোৱা কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে জুবিন গাৰ্গৰ মৃত্যুৰ শোকপ্ৰস্তাৱ পাঠ কৰাৰ লগতে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। ইয়াৰ পাছতে কংগ্ৰেছ, এ আই ডি ইউ এফ, ৰাইজৰ দল আৰু চি পি এমে জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত আলোচনা কৰিবলৈ সভা স্থগিত প্ৰস্তাৱ আনে। অসম বিধানসভাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে শাসকীয় পক্ষই বিধানসভাত বিৰোধীয়ে অনা সভা স্থগিত প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সঠিক দিশে আগবঢ়া নাই বুলি অভিযোগ তুলি বিৰোধী ৰাজনৈতিক দলসমূহে জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবী উত্থাপন কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই লগতে জুবিনৰ গাৰ্গৰ মৃত্যু সন্দৰ্ভত চি বি আইৰ তদন্ত দাবী কৰে।

বিৰোধী দলসমূহৰ বক্তব্যৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদনত জুবিন গাৰ্গক পৰিকল্পিতভাৱে হত্যা কৰা হৈছিল আৰু এই হত্যাকাণ্ডত এজন বিশেষ ব্যক্তি জড়িত হৈ আছিল বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰে। সেই ব্যক্তিজনক আন কেইজনমান ব্যক্তিয়ে সহযোগ কৰিছিল বুলিও তেওঁ কয়।

০০০০০০

সমাপ্ত